**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-06-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। ২৪২গৰাকী লোক কঢ়িয়াই নিয়া লণ্ডন অভিমুখী এয়াৰ ইণ্ডিয়াৰ এখন বিমান আজি গুজৰাটৰ আহমেদাবাদ বিমান বন্দৰৰ সমীপৰ মেঘানি নগৰত দুৰ্ঘটনাগ্ৰস্ত হয়। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে এই দুৰ্ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে।

২। ৰাষ্ট্ৰজোৰা প্ৰাক্-খাৰিফ বিকশিত কৃষি সংকল্প অভিযানৰ আজি সামৰণি পৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্ণিৰ মাজত জি-৭ শীৰ্ষ সন্মিলনৰ আপাহতে হ'বলগীয়া বৈঠকে দ্বিপাক্ষিক আৰু গোলকীয় বিষয় লৈ মত-বিনিময়ৰ সুযোগ প্ৰদান কৰিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

৪। দেশত যোৱা মে'ত খুচুৰা মুদ্ৰাস্ফীতি ২ দশমিক ৮-২ শতাংশলৈ হ্ৰাস পাইছে।

আৰু

৫। দক্ষিণ আফ্ৰিকাই অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে লৰ্ডছত অনুষ্ঠিত বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত ১৩৮ ৰাণত প্ৰথম ইনিংছ সামৰিছে।

০০০০০০০

দুগৰাকী পাইলট আৰু ১০গৰাকী চালক দলৰ সদস্যসহ মুঠ ২৪২গৰাকী লোক কঢ়িয়াই নিয়া লণ্ডন অভিমুখী এয়াৰ ইণ্ডিয়াৰ এখন বিমান আজি গুজৰাটৰ আহমেদাবাদ বিমান বন্দৰৰ সমীপৰ মেঘানি নগৰত দুৰ্ঘটনাগ্ৰস্ত হয়। দুৰ্ঘটনাগ্ৰস্ত AI-171 বিমানখনত ১৬৯গৰাকী ভাৰতীয় নাগৰিকৰ লগতে ৫৩গৰাকী ব্ৰিটেইনৰ, এগৰাকী কানাডাৰ আৰু সাতগৰাকী পৰ্তুগীজৰ নাগৰিক আছিল বুলি জানিব পৰা গৈছে। বিমানখনৰ কোনো লোক জীৱিত অৱস্থাত থকা আশা ক্ষীণ বুলি সূত্ৰৰ পৰা জানিব পৰা গৈছে।

অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে দুৰ্ঘটনাৰ পাছত প্ৰয়োজনীয় সকলো ধৰণৰ সহায়ৰ বাবে মন্ত্ৰালয়ে ০১১-২৪৬১০৮৪৩ আৰু ৯৬৫০৩৯১৮৫৯ নম্বৰ দুটা মুকলি কৰি দিছে। ইয়াৰ লগতে যাত্ৰীসকলৰ সৈতে জড়িত যিকোনো ধৰণৰ তথ্য আৰু সহায়ৰ বাবে আহমেদাবাদ বিমান বন্দৰত ৯৯৭৪১১১৩২৭ হেল্পলাইন নম্বৰ এটাও মুকলি কৰা হৈছে বুলি মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰিছে। এয়াৰ ইণ্ডিয়াইও এই সংক্ৰান্তীয় তথ্য আৰু সহায়ৰ বাবে ১৮০০-৫৬৯১৪৪৪ হটলাইন নম্বৰ এটাও মুকলি কৰিছে। এই বিমান দুৰ্ঘটনাৰ পাছতেই বিমান দুৰ্ঘটনা তদন্তকাৰী ব্যুৰোৰ সঞ্চালক প্ৰধানৰ লগতে আন এটা দলো ইতিমধ্যে আহমেদাবাদলৈ ৰাওনা হৈছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ ৯০গৰাকী জোৱানে ইতিমধ্যে ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান চলাই আছে। বদোদৰাৰ পৰা আৰু কেইবাটাও এন ডি আৰ এফৰ দল ঘটনাস্থলীলৈ ৰাওনা হৈছে। দুৰ্ঘটনাত আহত লোকসকলক ততালিকে আহমেদাবাদ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। দুৰ্ঘটনাৰ কাৰণ সন্দৰ্ভত তদন্ত ইতিমধ্যে আৰম্ভ হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহ মন্ত্ৰী অমিত শ্বাহ আৰু অসামৰিক বিমান পৰিবহন মন্ত্ৰী ৰাম মোহন নাইডুৱে আহমেদাবাদৰ বিমান দুৰ্ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে এটা পোষ্টত শ্ৰীমতী মুৰ্মুৱে এই দুৰ্ঘটনাক অত্যন্ত দুখঃজনক বুলি

অভিহিত কৰিছে। তেওঁ লগতে কয় যে সমগ্ৰ ৰাষ্ট্ৰ এই দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালৰ সৈতে আছে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে সামাজিক মাধ্যমযোগে এই ঘটনাক অত্যন্ত দুৰ্ভাগ্যজনক বুলি অভিহিত কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দুৰ্ঘটনাক অবৰ্ণনীয় বুলি অভিহিত কৰিছে। শ্ৰীমোদীয়ে এই দুৰ্ঘটনা সন্দৰ্ভত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ আৰু অসামৰিক বিমান পৰিবহন মন্ত্ৰী ৰামমোহন নাইডুৰ সৈতে কথা পাতি তেওঁলোকক আহমেদাবাদলৈ ৰাওনা হ'বলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে এই দুৰ্ঘটনাত ক্ষতিগ্ৰস্ত লোকসকলক প্ৰয়োজনীয় সহায় সুনিশ্চিত কৰিবলৈও মন্ত্ৰী দুগৰাকীক নিৰ্দেশ দিয়ে।

ইপিনে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই দুৰ্ঘটনা সন্দৰ্ভত গুজৰাটৰ মুখ্যমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ সৈতে কথা পাতে।

000000000

গুজৰাটত এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় ৰে'লৱেই যাত্ৰীসকলৰ সুবিধাৰ্থে আহমেদাবাদৰ পৰা দুখন বিশেষ ৰে'লগাড়ীৰ চলাচল কৰোৱাৰ ব্যৱস্থা কৰিছে। ইয়াৰে এখন ৰে'লগাড়ী দিনৰ চাৰে ১১ বজাত আহমেদাবাদৰ পৰা নতুন দিল্লীলৈ আৰু আনখন দিনৰ ১২ বজাত আহমেদাবাদৰ পৰা মুম্বাইলৈ ৰাওনা হ'ব।

000000

ৰাষ্ট্ৰজোৰা প্ৰাক্-খাৰিফ বিকশিত কৃষি সংকল্প অভিযানৰ আজি সামৰণি পৰে। এই অভিযানৰ জৰিয়তে কৃষি বিজ্ঞানীসকলক খেতিয়কসকলৰ ওচৰ চপাই নিয়াৰ ব্যৱস্থা চেষ্টা কৰা হৈছে। এই অভিযানে খেতিয়কসকলক বিজ্ঞানীসকলৰ সৈতে মত-বিনিময় কৰাৰ আৰু কৃষিৰ বিষয়ে প্ৰত্যক্ষভাৱে তথ্য লাভৰ সুযোগ প্ৰদান কৰিছে।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্ণিৰ মাজত জি-৭ শীৰ্ষ সন্মিলনৰ আপাহতে হ'বলগীয়া বৈঠকে দ্বিপাক্ষিক আৰু গোলকীয় বিষয় লৈ মত-বিনিময়ৰ সুযোগ প্ৰদান কৰিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। জি-৭ শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে কানাডালৈ যাবলগীয়া প্ৰধানমন্ত্ৰীৰ আসন্ন ভ্ৰমণ সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে কয় যে শ্ৰীমোদীয়ে কানাডাৰ প্ৰধানমন্ত্ৰীৰ পৰা যোৱা সপ্তাহত জি-৭ শীৰ্ষ সন্মিলনলৈ আমন্ত্ৰণ লাভ কৰিছে। শ্ৰীজয়ছৱালে আন এটা প্ৰশ্নৰ উত্তৰত কয় যে ভাৰত আৰু কানাডাৰ বিধি বলবৎকাৰী সংস্থাসমূহৰ মাজৰ বৰ্তমানৰ ব্যৱস্থাৰ অধীনত পাৰস্পৰিক সুৰক্ষাজনিত উদ্বেগৰ বিষয় লৈ আলোচনা চলি আছে। আগলৈও এই আলোচনা অব্যাহত থাকিব বুলিও তেওঁ মন্তব্য কৰে। স্মাৰ্ট ফোন, কম্পিউটাৰ, হাৰ্ড ড্ৰাইভছ আৰু এল ই ডি লাইট লেখিয়া সা-সামগ্ৰীত ব্যৱহৃত কেতবোৰ দুৰ্লভ উপাদানৰ ৰপ্তানি নিয়ন্ত্ৰণৰ বাবে চীনে লোৱা সিদ্ধান্ত সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰত মুখপাত্ৰগৰাকীয়ে কয় যে চীনৰ বাণিজ্যিক মন্ত্ৰালয়ে এপ্ৰিলৰ প্ৰথম ভাগত এই সিদ্ধান্ত ঘোষণা কৰিছে। তেওঁ কয় যে চৰকাৰে আন্তঃৰাষ্ট্ৰীয় প্ৰথা অনুসৰি ব্যৱসায়ৰ বাবে যোগান শৃংখলাৰ পূৰ্বানুমান অধিক নিখুঁত কৰি তোলাৰ বাবে বিষয়টো সন্দৰ্ভত চীনৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি আছে।

000000

দেশত যোৱা মে'ত খুচুৰা মুদ্ৰাস্ফীতি ২ দশমিক ৮-২ শতাংশলৈ হ্ৰাস পাইছে। এপ্ৰিলত এই হাৰ ৩ দশমিক ১-৬ শতাংশ আছিল। পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয়ে জাৰি কৰা তথ্য অনুসৰি বাৰ্ষিক ভিত্তিত এই হাৰ ২০১৯ চনৰ ফেব্ৰুৱাৰীৰ ভিতৰত আটাইতকৈ কম। ইপিনে, গ্ৰামাঞ্চলৰ মুদ্ৰাস্ফীতি ২ দশমিক ৫-৯ শতাংশলৈ আৰু নগৰাঞ্চলৰ মুদ্ৰাস্ফীতি ৩ দশমিক ০-৭ শতাংশলৈ হ্ৰাস পাইছে। যোৱা মাহত সৰ্বভাৰতীয় উপভোক্তা খাদ্য মূল্য সূচ্যাংক আধাৰিত খাদ্য মুদ্ৰাস্ফীতিৰ হাৰ অস্থায়ীভাৱে দশমিক ৯-৯ শতাংশ আছিল। এই হাৰ ২০২১ চনৰ অক্টোবৰৰ ভিতৰত সৰ্বনিম্ন। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে দাইল আৰু ইয়াৰ পৰা উৎপাদিত সামগ্ৰী, শাক-পাচলি, ফল-মূল, গোটা দানাজাতীয় শস্য আৰু ইয়াৰ পৰা উৎপাদিত সামগ্ৰী, ঘৰুৱা সামগ্ৰী আৰু সেৱা, চেনি আৰু কণীৰ দাম হ্ৰাস পোৱাৰ বাবে মুদ্ৰাস্ফীতি নিম্নগামী হৈছে।

০০০০০০

ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণ অথবা তদাৰকৰ ক্ষেত্ৰত পৰামৰ্শ ফাৰ্মৰ বাবে প্ৰতিগৰাকী অভিযন্তাৰ বিপৰীতে সৰ্বাধিক ১০টা প্ৰকল্পৰ সীমা নিৰ্ধাৰণ কৰিছে। পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে কৈছে যে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ মান আৰু পৰ্যবেক্ষণ ব্যৱস্থাৰ সুদৃঢ়কৰণৰ উদ্দেশ্যে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। প্ৰতিগৰাকী অভিযন্তাৰ বিপৰীতে সৰ্বাধিক ১০টা প্ৰকল্পৰ এই নিয়ম ৬০ দিনৰ পাছত প্ৰযোজ্য হ'ব যাতে পৰামৰ্শদাতা ফাৰ্মসমূহে এই সময়ছোৱাত প্ৰয়োজন অনুসৰি সংযোজন কৰিব পাৰে।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে গুজৰাটৰ বিমান দুৰ্ঘটনাত আপোনজনক হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে এই দুৰ্ঘটনা শোকাবহ বুলি অভিহিত কৰে। উদ্ধাৰ অভিযান চলি থকা বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামেৰে অসম চৰকাৰে প্ৰৱৰ্তন কৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা, পদ্ম বিভূষণ সন্মানেৰে সন্মানিত আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ধ্ৰুপদী নৃত্যশিল্পী ড° সোনাল মানসিঙক আজি প্ৰদান কৰা হয়। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এই উপলক্ষে আয়োজিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ড° মানসিঙক ২০২৩ বৰ্ষৰ এই বঁটা প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু পদ্ম ভূষণ সন্মানেৰে সন্মানিত নৃত্যাচাৰ্য যতীন গোস্বামীৰ উপৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ক সাক্ষাৎ কৰে। সাক্ষাৎকালত ড০ জয়শংকৰে সন্ত্ৰাসবাদ বিৰোধী যুঁজলৈ আগবঢ়োৱা সমৰ্থনৰ বাবে ফ্ৰান্সক ধন্যবাদ জনায়। বৈঠকৰ অন্তত বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে কয় যে তেওঁলোকৰ আলোচনাই উভয় দেশৰ মাজৰ কৌশলগত সহযোগিতাৰ সুবিধাজনক স্থিতি আৰু অভিলাষাক প্ৰতিফলিত কৰে।

০০০০০০০০০

দক্ষিণ আফ্ৰিকাই অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে লৰ্ডছত অনুষ্ঠিত বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত ১৩৮ ৰাণত প্ৰথম ইনিংছ সামৰিছে। দক্ষিণ আফ্ৰিকাই আজি খেলৰ দ্বিতীয় দিনা ৪ উইকেটৰ বিনিময়ত কালি

সংগ্ৰহ কৰা ৪৩ ৰাণৰ পৰা খেল আৰম্ভ কৰি ৯৫ ৰাণহে যোগ দিবলৈ সমৰ্থ হয়। দক্ষিণ আফ্ৰিকাৰ হৈ ডেভিদ বেডিংহামে সৰ্বাধিক ৪৫ ৰাণ সংগ্ৰহ কৰে। অষ্ট্ৰেলিয়াৰ পেট কামিন্ছে ৬টা উইকেট দখল কৰে।

অষ্ট্ৰেলিয়াই কালি খেলৰ প্ৰথম দিনা প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি আটাইকেইটা উইকেট হেৰুৱাই প্ৰথম ইনিংছত ২১২ ৰান সংগ্ৰহ কৰে। দলৰ হৈ বিউ ৱেবষ্টাৰে সৰ্বাধিক ৭২ ৰান কৰে। দক্ষিণ আফ্ৰিকাৰ হৈ কাগিছ' ৰাবাদাই ৫টা, মাৰ্কো জেনচেনে তিনিটা আৰু কেশভ মহাৰাজ আৰু এইডেন মাৰ্কৰামে এটাকৈ উইকেট দখল কৰে। অষ্ট্ৰেলিয়া দক্ষিণ আফ্ৰিকাতকৈ ৭৪ ৰাণত আগবাঢ়ি আছে।

০০০০০০

সমাপ্ত